# অসম বিধান সভাৰ প্ৰশ্নোত্তৰ

তৰা বিহিন প্ৰশ্ন নং : ১৮৩
বিষয় : পলাশবাৰী সমষ্টিত লোক সাংস্কৃতিক সংগ্ৰহালয় নিৰ্মাণ সম্পৰ্কে ।
বিধায়কৰ নাম : শ্ৰী হিমাংশু শেখৰ বৈশ্য
উত্তৰ দিয়া তাৰিখ : ০৯/০৭/২০২৬

## প্ৰশ্ন

মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

লোক সংস্কৃতিৰ ক্ষেত্ৰত দক্ষিণ কামৰূপ অঞ্চল অতি চহকী। দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিত এই লোক সংস্কৃতি বহু সমল সংৰক্ষণ কৰিবলৈ এটা সংগ্ৰহালয় নিৰ্মাণৰ ব্যৱস্থা কৰিব নেকি?

## উত্তৰ

মাননীয় খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ মন্ত্ৰী শ্ৰী বিশ্বজিৎ দৈমাৰী মহোদয়ে উত্তৰ দিব :

**উত্তৰ** :- সাংস্কৃতিক সমল সমূহ সংৰক্ষণৰ বাবে দক্ষিণ কামৰূপত সংগ্ৰহালয় স্থাপন কৰাৰ ক্ষেত্ৰত খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ তৰফৰ পৰা বৰ্তমানলৈ কোনো নিৰ্দিষ্ট আঁচনি গ্ৰহণ কৰা হোৱা নাই। তথাপিও, ভৱিষ্যতে প্ৰয়োজনীয়তা আৰু বাস্তৱিকতা বিবেচনা কৰি এনে ধৰণৰ সংগ্ৰহালয় স্থাপনৰ বিষয়টো চৰকাৰে যথোপযুক্তভাৱে বিবেচনা কৰিব।

(উত্তৰসমুহ আৰু সংশ্লিষ্ট cms.neva.gov.in ৱেবছাইটত আপলোড কৰা হৈছে)